# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-01-2025 **Time :** 1340 Hrs.

***Assamese NSD Midday Bulletin***

***<u>HEADLINES</u>***

১।  ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত এই বছৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ প্ৰদান কৰে।

২।  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত  আন্তঃৰাষ্ট্ৰীয় সচলতা মেলা উদ্বোধন কৰে।

৩।  অসম প্ৰদেশ বিজেপিৰ পৰৱৰ্ত্তী সভাপতি হিচাপে সাংসদ দিলীপ শইকীয়াক নিৰ্বাচিত কৰা হৈছে।

৪।  অসমত আজি সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক স্মৃতি দিৱস শিল্পী দিৱস হিচাপে পালন কৰা হৈছে।

**আৰু**

৫। ভাৰতৰ পি ভি সিন্ধু আজি ইণ্ডিয়া অ'পেন বেডমিণ্টনৰ মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত ইণ্ডোনেছিয়াৰ গ্ৰেগ'ৰিয়া মাৰিস্কা টুনজুঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত এই বছৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ প্ৰদান কৰে। বিশ্ব দবা চেম্পিয়ন দি গুকেশ, পেৰিছ অলিম্পিকত দুটাকৈ পদক বিজেতা মনু ভাকৰ, ভাৰতীয় হকী দলৰ অধিনায়ক হৰমনপ্ৰীত সিং আৰু পেৰিছ পেৰালিম্পিকত স্বৰ্ণ পদক বিজেতা প্ৰবীন কুমাৰক মেজৰ ধ্যানচন্দ খেলৰত্ন বঁটা প্ৰদান কৰা হয়। ক্ৰীড়াৰ ক্ষেত্ৰত বিগত ৪ বছৰত আগবঢ়োৱা অনন্য প্ৰদৰ্শনৰ বাবে খেলুৱৈসকলক এই বঁটা প্ৰদান কৰা হয়। একেদৰে ৩২ গৰাকী খেলুৱৈক অৰ্জুন বঁটা প্ৰদান কৰা হয়। অৰ্জুন বঁটা লাভ কৰা খেলুৱৈসকলৰ ভিতৰত – এথলিট জ্যোতি য়াৰাজি আৰু অন্নু ৰাণী, বক্সাৰ নীতু আৰু ছৱিটী, দবা খেলুৱৈ ৰন্তিকা আগৰৱাল, হকী খেলুৱৈ ছালিমা টেটে, অভিষেক, সঞ্জয়, জৰমনপ্ৰীত সিং আৰু সুখজিৎ সিং, পেৰা আৰ্চাৰী খেলুৱৈ ৰাকেশ কুমাৰ, পেৰা এথলিট প্ৰীতি পল, জীৱানজী দীপ্তি, অজিত সিং আৰু শচীন খিলাড়ী অন্যতম।

প্ৰবীন এথলিট ছুচা সিং আৰু প্ৰবীন পেৰা সাতোঁৰবিদ মুৰলীকান্ত পেটকাৰক জীৱনজোৰা সাধনাৰ বাবে অৰ্জুন বঁটাৰে সন্মানিত কৰা হয়। খেল' ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছত শ্ৰেষ্ঠ বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰা চণ্ডিগড় বিশ্ববিদ্যালয়ক মৌলানা আবুল কালাম আজাদ বঁটা প্ৰদান কৰা হয়।

একেদৰে পেৰা শুটিঙৰ প্ৰশিক্ষক সুভাষ ৰানা, শুটিং প্ৰশিক্ষক দিপালী দেশপাণ্ডে, হকীৰ প্ৰশিক্ষক সন্দীপ ছাঙৱান, বেডমিণ্টন প্ৰশিক্ষক এছ মুৰুলীধৰণ আৰু ফুটবল প্ৰশিক্ষক আৰমাণ্ডো এগনেলো ক'লাকোক দ্ৰোণাচাৰ্য বঁটা প্ৰদান কৰা হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত সৰ্ববৃহৎ Globel Mobility Expo অৰ্থাৎ আন্তঃৰাষ্ট্ৰীয় সচলতা মেলা উদ্বোধন কৰে। এই মেলাৰ মূল বিষয়বস্তু হৈছে সীমাৰ উৰ্ধত ঃ ভৱিষ্যতৰ মটৰগাড়ী মূল্য শৃংখলাৰ সহ নিৰ্মাণ। এই দৃষ্টিভংগীৰ মূল উদ্দেশ্যে হৈছে বহনক্ষম আৰু অত্যাধুনিক কাৰিকৰী অগ্ৰগতিত গুৰুত্ব আৰোপ কৰি মটৰগাড়ী আৰু আহ-যাহ ক্ষেত্ৰত সহযোগিতা আৰু উদ্ভাৱনৰ প্ৰসাৰ সাধন কৰা। অনুষ্ঠানত অংশগ্ৰহণ কৰি দিয়া ভাষণত কেন্দ্ৰীয় বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে কয়, যে ভাৰত Globel Mobility Expo অট'ম'বাইল আৰু ইয়াৰ সৈতে জড়িত বাণিজ্যখণ্ডৰ দ্বিতীয় সৰ্ববৃহৎ কাৰ্যসূচী হিচাপে পৰিগণিত হৈছে। তেওঁ লগতে কয়, যে ভাৰত তিনিচকীয়া বাহন আৰু ট্ৰেক্টৰৰ সৰ্ববৃহৎ নিৰ্মাণকাৰী দেশ হিচাপে পৰিগণিত হৈছে।

ছদিনীয়াকৈ আয়োজন কৰা এই মেলা নতুন দিল্লী আৰু গ্ৰেটাৰ নয়ডাৰ তিনিটা পৃথক স্থানত অনুষ্ঠিত হৈছে।

০০০০০০০

মহাকুম্ভলৈ যোৱা ভক্ত আৰু দৰ্শনাৰ্থীসকলৰ চিকিৎসা সেৱাৰ  ক্ষেত্ৰত সু-ব্যৱস্থা নিশ্চিতকৰণৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি প্ৰয়াগৰাজ মেলা কৰ্তৃপক্ষই মহাকুম্ভৰ পেৰেড গ্ৰাউণ্ডত ১০০ খন বিছনাযুক্ত এখন চিকিৎসালয় গঢ়ি তুলিছে। ইয়াৰ লগতে দেশী-বিদেশী ভক্তসকলৰ সুবিধা হোৱাকৈ মেলা অনুষ্ঠিত হোৱা অঞ্চলত আন দুখন হাস্পাতালৰো ব্যৱস্থা কৰা হৈছে। এই হাস্পাতালসমূহত বিনামূলীয়াকৈ সকলো ধৰণৰ চিকিৎসা সেৱা প্ৰদান কৰা হৈছে বুলি আকাশবাণীৰ প্ৰয়াগৰাজৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০০০

ছত্তিশগড়ৰ বিজাপুৰ জিলাৰ বাছাগুড়াত কালি নিৰাপত্তা বাহিনীৰ সৈতে হোৱা গুলীয়াগুলীত ১২ জন মাওবাদী নিহত হয়। এই গুলীয়াগুলীত নিৰাপত্তা বাহিনীৰো তিনিজন জোৱান আহত হয়। বিজাপুৰ জিলাৰ শীৰ্ষ আৰক্ষী বিষয়াই জনোৱা অনুসৰি দক্ষিণ বিজাপুৰৰ ঘন অৰণ্যত পুৱা প্ৰায় ৯ বজাত তিনিখন জিলাৰ জিলা সংৰক্ষিত বাহিনী, কোব্ৰা বেটেলিয়নৰ ৫টা গোট আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ যুটীয়া দলে মাওবাদীবিৰোধী অভিযান চলায়। অভিযানৰ অন্তত নিৰাপত্তা বাহিনীয়ে সেই স্থানৰ পৰা ভালেমান অস্ত্ৰ-শস্ত্ৰ জব্দ কৰে। আৰক্ষীয়ে মৃত মাওবাদীকেইজনক ইতিমধ্যে চিনাক্ত কৰিছে।

০০০০০০০

অসম প্ৰদেশ বিজেপিৰ পৰৱৰ্ত্তী সভাপতি হিচাপে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ তথা কেন্দ্ৰীয় বিজেপিৰ প্ৰাক্তন সাধাৰণ সম্পাদক দিলীপ শইকীয়াক নিৰ্বাচিত কৰা হৈছে। কেন্দ্ৰীয় নিৰ্বাচনী পৰ্যৱেক্ষক গজেন্দ্ৰ সিং শেখাৱটে দলৰ ৰাজ্যিক সভাপতি হিচাপে তেওঁৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। গুৱাহাটীস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত আজি আয়োজিত এটা অনুষ্ঠানত নৱ নিৰ্বাচিত সভাপতি গৰাকীক কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু দলৰ বিদায়ী ৰাজ্যিক সভাপতি ভৱেশ কলিতাকে ধৰি দলীয় নেতৃবৰ্গই অভিনন্দন জনায়।

আমাৰ আগৰ বাতৰিকে কোৱা হৈছে যে, কালি সন্ধিয়া বিজেপিৰ বিদায়ী ৰাজ্যিক সভাপতি ভৱেশ কলিতা, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় নেতৃত্বৰ উপস্থিতিত একমাত্ৰ সাংসদ দিলীপ শইকীয়াই সভাপতি পদৰ বাবে মনোনয়ন দাখিল কৰে। কেন্দ্ৰীয় বিষয়ববীয়াৰে দীঘলীয়া আলোচনাত মিলিত হৈ বিদায়ী সভাপতি ভৱেশ কলিতা আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সভাপতি পদৰ প্ৰাৰ্থী হিচাপে দিলীপ শইকীয়াক মনোনীত কৰে।

০০০০০০০

অসমত আজি সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক স্মৃতি দিৱস শিল্পী দিৱস হিচাপে পালন কৰা হৈছে। ১৯৫১ চনৰ আজিৰ দিনটোতে সব্যসাচী শিল্পীগৰাকীৰ দেহাৱসান ঘটিছিল। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি শিল্পী দিৱস উপলক্ষে ৰূপকোঁৱৰৰ সোঁৱৰণত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু গোলাঘাট জিলা প্ৰশাসনৰ সহযোগত গোলাঘাটত এই দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানতে বিশিষ্ট সংগীত শিল্পী ড° অনিমা চৌধুৰী আৰু মুকুল ৰাভাক চলিত বৰ্ষৰ শিল্পী বঁটা প্ৰদান কৰা হ'ব। বিগত বৰ্ষৰ সন্মানীয় নটসূৰ্য্য ফণী শৰ্মা বঁটা বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনলৈ, সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটা প্ৰবীন অভিনেত্ৰী হীৰা নেওগলৈ আৰু জননেতা ভীমবৰ দেউৰী বঁটা বিশিষ্ট সমাজকৰ্মী জলেশ্বৰ ব্ৰহ্মলৈ আগবঢ়োৱা হব।

শোণিতপুৰ জিলাৰ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনৰ জ্যোতি ভাৰতীত আজি দিনজোৰা কাৰ্যসূচীৰে শিল্পী দিৱস পালন কৰা হৈছে। ৰাজ্যৰ আন বিভিন্ন স্থানতো চৰকাৰী-বেচৰকাৰী উভয়পক্ষৰ উদ্যোগত শিল্পী দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে।

সদৌ অসম ছাত্ৰ সন্থাই হোজাই জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কাকী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত কালিৰে পৰা দুদিনীয়াকৈ হোজাইত কেন্দ্ৰীয়ভাৱে শিল্পী দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পূণ্য তিথিত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে এটা বাৰ্তাত অসমীয়া সাহিত্য-সংস্কৃতিলৈ চিৰসুন্দৰৰ পূজাৰীগৰাকীৰ অৱদান প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰবাহিত হৈ থাকিব বুলি উল্লেখ কৰে।

০০০০০০০

আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক তথা দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে দিল্লী বিধানসভা নিৰ্বাচনৰ পূৰ্বে আজি কেন্দ্ৰীয় চৰকাৰক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মেট্ৰ' ৰে'লৰ ভাড়াত ৫০ শতাংশ ৰেহাই দিয়াৰ বাবে দাবী জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ লিখা এখন পত্ৰত শ্ৰী কেজৰিৱালে দিল্লী আৰু কেন্দ্ৰীয় চৰকাৰে যুটীয়াভাৱে এই ব্যয় বহন কৰা উচিত বুলি পৰামৰ্শ আগবঢ়ায়। দলে লগতে ৰাষ্ট্ৰীয় ৰাজধানীখনত ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া বাছ যাত্ৰাৰ সুবিধা প্ৰদান কৰাৰ কথাও ঘোষণা কৰে।

০০০০০০০

ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী ফাঁছ'ৱা বাইখুৰ বিৰুদ্ধে দেশখনৰ সংসদত উত্থাপিত প্ৰথমটো অনাস্থা প্ৰস্তাৱ আজি অগ্ৰাহ্য হয়। এই প্ৰস্তাৱ উত্থাপন কৰা বিৰোধী বাঁওপন্থী সাংসদসকলে সোঁপন্থীসকলৰ সমৰ্থন আদায় কৰিবলৈ অপাৰগ হোৱাৰ পৰিপ্ৰেক্ষিতত সদনৰ মজিয়াত প্ৰস্তাৱটো গৃহীত কৰাবলৈ অসমৰ্থ হয়। উল্লেখযোগ্য যে, ২০২৩ বৰ্ষৰ পেন্সনৰ সংস্কাৰৰ সন্দৰ্ভত মুকলি আলোচনাৰ লগতে চলিত বৰ্ষৰ বাজেটৰ ঘাটি হ্ৰাস কৰাৰ প্ৰয়োজনৰ বিষয়টোত গুৰুত্ব আৰোপ কৰাৰ বাবে দেশখনৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা বিবৃতিক প্ৰত্যাহ্বান জনাই বিৰোধী পক্ষ্যই এই অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছিল। সদনত একক সংখ্যাগৰিষ্ঠতা নথকা প্ৰধানমন্ত্ৰী বাইখুৰ বিবৃতিটোক বিৰোধী পক্ষই ব্যাপক সমালোচনা কৰিছিল। এনে প্ৰেক্ষাপটত দেশখনৰ সদনত উত্থাপিত অনাস্থা প্ৰস্তাৱটো বিশেষ তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছিল। কিয়নো বিৰোধী সাংসদসকলে ঐক্যবদ্ধভাৱে প্ৰস্তাৱটোৰ সপক্ষে ভোটদান কৰিলে

প্ৰধানমন্ত্ৰীগৰাকীয়ে পদত্যাগ কৰিবলগীয়া হোৱাটো নিশ্চিত আছিল। পিছে প্ৰস্তাৱটো গৃহীত হ'বৰ বাবে ইয়াৰ সপক্ষে ২৮৮টা ভোটৰ প্ৰয়োজন আছিল যদিও মুঠ ১৩১ গৰাকী সাংসদেহে অনাস্থা প্ৰস্তাৱটোৰ সপক্ষে ভোটদান কৰে।

০০০০০০০

ভাৰতৰ পি ভি সিন্ধু আজি ইণ্ডিয়া অ'পেন বেডমিণ্টনৰ মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত ইণ্ডোনেছিয়াৰ গ্ৰেগ'ৰিয়া মাৰিস্কা টুনজুঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে আজি সন্ধিয়া নতুন দিল্লীৰ কে ডি যাদৱ ইণ্ডোৰ ষ্টেডিয়ামত হ'বলগীয়া পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত কিৰন জৰ্জে চীনৰ ৰেং হংয়াঙৰ বিৰুদ্ধে খেলিব। প্ৰতিযোগিতাত আজি পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত  ছিৰাগ ছেট্টী আৰু সাত্বিকসাইৰাজ ৰেনকিৰেড্ডীয়ে দক্ষিণ কোৰিয়াৰ যুটীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইয়াৰ পূৰ্বে কালি পি ভি সিন্ধুয়ে জাপানৰ মানামি ছুইযুক ২১-১৫, ২১-১৩ৰ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। একেদৰে পুৰুষৰ ডাবলছত ছিৰাগ ছেট্টী আৰু সত্বিকছাইৰাজ ৰনকিৰেড্ডীৰ যুটীয়ে প্ৰথম ছেটত পৰাস্ত হোৱাৰ পাছতো সফল প্ৰত্যাৱৰ্তন কৰি অন্তিম ৮ত স্থান নিশ্চিত কৰে।

০০০০০০০

সমাপ্ত